

# কামতাপুৰ আন্দোলনক সমমৰ্মিতাৰে চোৱা উচিত

■ অৰূপজ্যোতি দাস

কামতাপুৰৰ দাবীটো যিটো সময়ত অসমত উত্থাপিত হৈছে, সেইটো সময়ত এনেবোৰ দাবী অসমত এক গতানুগতিক ঘটনাত পৰিণত হৈছে। ফলস্বৰূপে এই দাবীৰ সমৰ্থনত যিমানেই তীব্ৰতৰ আন্দোলন নহওক কিয়, সৰ্বসাধাৰণ ৰাইজ, বুদ্ধিজীৱী তথা চৰকাৰে এই বিষয়টোৰ পৰা নিজকে আঁতৰত ৰাখিছে। এই নিৰ্লিপ্ততাই অৱশ্যে পৰিস্থিতি জটিলহে কৰি তুলিছে।

অসমত কোনো বিশেষ জনগোষ্ঠীয়ে গৃহভূমিৰ দাবী উত্থাপন কৰাটো নতুন কথা নহয়। বড়োসকলে ইতিমধ্যেই সুকীয়া বড়োলেণ্ডৰ দাবীত অসমৰ ৰাজনৈতিক আৰু সমাজ জীৱন জোকাৰি থৈ গৈছে। অসমৰ আৰু কেইবাটিও জনগোষ্ঠীৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ আন্দোলন সাম্প্ৰতিক সময়ত বিভিন্ন পৰ্যায়ত আছে। এনে এক পৰিস্থিতিত কোচ-ৰাজংবশীৰ কামতাপুৰৰ দাবীটো আলোচনা কৰিবলগীয়া বিষয়বস্তু নহয় যেনেই লাগে। তৎসত্ত্বেও এসময়ত নিজকে অসমীয়া বুলি পৰিচয় দিবলৈ অকণো আপত্তি নকৰা কোচ-ৰাজবংশীসকলে 'শান্তি প্ৰগতি অসমত নাই, কামতাপুৰ বিনে গতি নাই' বুলি শ্লোগান দি তেওঁলোকৰ বাবে এক সুকীয়া পৰিচয় বিচৰাটোৱে অসমীয়া জাতীয়তাবাদক প্ৰত্যাহ্বান জনোৱাৰ লগতে অসমৰ জাতীয়তাবাদী মহলটোক বেছ চিন্তিত কৰি তুলিছে। এনে হোৱাৰ মূলতে হ'ল, আমাৰ ইয়াত কামতাপুৰ সম্পৰ্কীয় যিবোৰ আলোচনা হৈ আছে সেইবোৰ অসম কেন্দ্ৰিক। তদুপৰি কোচ-ৰাজবংশীৰ সমগ্ৰ বিষয়টোক অসমৰ (অথবা অসমীয়াৰ) দৃষ্টিকোণৰ পৰা চোৱা হৈছে। এটা কথা আমি পাহৰি থাকো যে কোচ-ৰাজবংশীসকল অসমৰ লগতে পশ্চিমবংগ, মেঘালয়, বিহাৰ, নেপাল, বাংলাদেশ আৰু ভূটানৰো খিলঞ্জীয়া অধিবাসী তথা আজিৰ বংগ, ভূটান, বাংলাদেশ আৰু অসমৰ এক বিশাল ভূখণ্ডক লৈয়ে ঐতিহাসিক কামতাপুৰ ৰাজ্য গঠিত হৈছিল। কোচ-ৰাজবংশী, চিংফৌ, নগা আদি জনগোষ্ঠীৰ ৰাজনৈতিক সমস্যাৱলীৰ কথা আলোচনা কৰোঁতে বা সমাধানৰ বাবে নীতি তৈয়াৰ কৰোঁতে তেওঁলোকৰ সীমান্তলংঘী (transborder) চৰিত্ৰসমূহ মনত ৰাখিলে তেওঁলোকৰ ৰাজনৈতিক ইচ্ছাৰ আৱেগিক দিশটো বুজাত সহায় হয়।

কামতাপুৰ সম্পৰ্কীয় আলোচনাবোৰ অসমকেন্দ্ৰিক হোৱা কাৰণেই বোধহয় অসমৰ আলোচনাবোৰত বংগৰ শক্তিশালী কামতাপুৰ আন্দোলনৰ প্ৰতিফলন ঘটা নাই। ফলস্বৰূপে কোচ ৰাজবংশীৰ আত্মনিয়ন্ত্ৰণৰ আন্দোলনৰ সঠিক মূল্যায়ন হোৱা নাই। বহুতেই হয়তো ভালদৰে জ্ঞাত নহয় যে উত্তৰ বংগত যোৱা প্ৰায় পাঁচ-ছয় দশক ধৰি কামতাপুৰ ৰাজ্যৰ দাবীটো বৈ বৈ উত্থাপিত হৈ আহিছে তথা নব্বৈৰ দশকৰ কামতাপুৰ আন্দোলনৰ সাম্প্ৰতিক ধাৰাটোও উত্তৰ বংগতে আৰম্ভ হয়। নব্বৈৰ দশকতে উত্তৰ বংগত জন্ম লাভ কৰা 'কামতাপুৰ পিপলছ পাৰ্টি (কে পি পি)ৰ গণতান্ত্ৰিক আন্দোলন তথা 'কামতাপুৰ লিবাৰেশ্বন অৰগেনাইজেশ্বন'ৰ স্বাধীন কামতাপুৰৰ দাবীত আৰম্ভ হোৱা সশস্ত্ৰ সংগ্ৰাম এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য। এই দুটা সংগঠনৰ উপৰিও কোচ বিহাৰত ১৯৯৮ চনত জন্ম লাভ কৰা 'গ্ৰেটাৰ কোচ বিহাৰ পিপলছ এশ্বোচিয়েশ্বনে'ও একেখিনি ভূখণ্ডকে (মূলত নামনি অসম আৰু উত্তৰ বংগ)লৈ সুকীয়া প্ৰশাসনিক গোট গঠনৰ দাবী কৰি আহিছে। উল্লেখ্য যে এই সংগঠনটোৱে ২০০৬ চনৰ আগষ্ট মাহৰ পৰা দিল্লীৰ যন্তৰ মন্তৰত অনিৰ্দিষ্ট কাললৈকে (এতিয়ালৈকে) অৱস্থান ধৰ্মঘট কৰি আহিছে।

কামতাপুৰৰ দাবীদাৰসকলে বৰ্তমানৰ বংগ আৰু অসম ভংগ কৰি সুকীয়া কামতাপুৰ ৰাজ্য গঠন হোৱাটো বিচাৰিছে। তেওঁলোকে অৱশ্যে ইয়াক ঐতিহাসিক কামতাপুৰ ৰাজ্যৰ পুৰ্ণৰ গঠন বুলিহে ক'ব বিচাৰে। পশ্চিম বংগত বহু আগৰ পৰাই উত্তৰ বংগৰ ৰাজবংশীসকলে বৰ্ণ হিন্দু বঙালীখিনিৰ সৈতে পাৰ্থক্যৰ সীমা ৰেখা এডাল ৰাখি চলিছে তথা নিজকে বঙালী বুলি পৰিচয় দিবলৈ অস্বীকাৰ কৰি আহিছে। এইটো প্ৰায়েই অভিযোগ কৰা হয় যে দেশ বিভাজনৰ সময়ত পূৰ্ব বংগৰ পৰা অহা হিন্দু বঙালীসকলে উত্তৰ বংগৰ থলুৱা ৰাজবংশীসকলৰ মাটি-বাৰী দখল কৰি তেওঁলোকক সংখ্যালঘুলৈ পৰিণত কৰাৰ লগতে সাংস্কৃতিক আগ্ৰাসনো কৰিছে। তদুপৰি ১৯৫০ চনত কোচ বিহাৰৰ জনসাধাৰণৰ মতৰ বিৰুদ্ধে কোচ বিহাৰ ৰাজ্যখনৰ পৰিচয় বিলুপ্ত কৰি পশ্চিম বংগৰ এখন জিলাৰূপে চামিল কৰা ঘটনাটোক কোচ-ৰাজবংশীসকলে আজিলৈকে সহজভাৱে লোৱা নাই। বহুতৰ মতে এনেবোৰ ঘটনাই সৃষ্টি কৰা ক্ষোভৰেই বহিঃ প্ৰকাশ আজিৰ কামতাপুৰ আন্দোলন।

অসমৰ কথাটো কিন্তু সুকীয়া। আজি কোচ-ৰাজবংশীয়ে অসমীয়া পৰিচয়ৰ বাহিৰত এক সুকীয়া পৰিচয় বিচাৰিলেও অসমৰ জাতীয় জীৱনৰ কেইবাটিও দুৰ্যোগৰ সময়ত কোচ-ৰাজবংশীসকলে নিজকে 'ভাল অসমীয়া' বুলি প্ৰমাণ কৰি থৈছে। অসম আন্দোলনৰ অন্যতম শক্তিশালী সহযোগী আছিল কোচ-ৰাজবংশীসকল। কোচ-ৰাজবংশী নেতা প্ৰয়াত শৰৎ চন্দ্ৰ সিংহৰ নেতৃত্বতে ঐতিহাসিক কামতাপুৰৰ অৰ্ধেক বা অবিভক্ত গোৱালপাৰা জিলাখন অসমৰ সৈতে সংযোগ কৰা হয়। অসম আন্দোলনৰ প্ৰথমগৰাকী শ্বহীদো হেনো কোচ-ৰাজবংশী জনগোষ্ঠীৰ। এনে উদাহৰণ আৰু বহুতো আছে। তদুপৰি অসমৰ ইতিহাসৰ এক উল্লেখযোগ্য সময় কোচ-ৰাজবংশীৰ অবদান, শৌৰ্যবীৰ্যৰ কাহিনীৰে পৰিপূৰ্ণ। কোচ সেনানায়ক চিলাৰায় অসমৰ ইতিহাসৰ অন্যতম সন্মানীয় নায়ক। এনেকুৱা এশ এটা উদাহৰণ পোৱা যাব যিয়ে কোচ-ৰাজবংশীসকলক 'ভাল অসমীয়া' বুলি দাঙি ধৰাৰ লগতে অসমৰ সমাজ জীৱনৰ অবিচ্ছেদ্য অংগ বুলি প্ৰমাণ কৰে। এনে এক পৰিস্থিতিত কোচ-ৰাজবংশীসকলক নিজকে অসমীয়া নহয় বুলি কোৱাটো বা ভাষাৰ স্বীকৃতি বিচাৰি 'অসম সাহিত্য সভা'কে বৰ্জন কৰাটো নিশ্চয় ভাবিবলগীয়া। এইখিনিতেই এটা কথা মন কৰা উচিত হ'ব যে অসমৰ কোচ-ৰাজবংশীসকলক প্ৰধান আৰু পুৰণি দাবীটো জনজাতিকৰণৰ দাবী। কামতাপুৰৰ দাবীটো যথেষ্ট নতুন। ষাঠিৰ দশকৰ পৰা জনজাতিকৰণৰ দাবী তুলি অহা 'সদৌ অসম কোচ-ৰাজবংশী সন্মিলনী' নামৰ এসময়ৰ অতি প্ৰভাৱশালী সংগঠনটো আজিও কামতাপুৰ দাবী সম্পৰ্কে প্ৰায় নিমাত। আনকি ১৯৬৯ চন মানত যেতিয়া পশ্চিম অসমত ৰাজা অজিত নাৰায়ণদেৱ, লালাজি (প্ৰতিমা পাণ্ডেৰ পিতৃ) আদিৰ পৃষ্ঠপোষকতাত 'কামতা ৰাজ্য সংগ্ৰাম পৰিষদ' নামৰ সংগঠনটোৱে কামতাপুৰৰ দাবীতো তুলিছিল, তেতিয়া 'সদৌ অসম কোচ-ৰাজবংশী সন্মীলনী'য়ে ইয়াৰ বিৰোধিতা কৰি বাতৰি কাকতত বিবৃতি দিছিল। অসমীয়া পৰিচয়টোৰ প্ৰতি যে কোচ-ৰাজবংশীসকলৰ এটা সময়ত বিদ্বেষভাব নাছিল এইবোৰ কথাই তাকেই বুজায়। কথাবোৰ চালিজাৰি চালে এনেকুৱা লাগে যে যদি অসমৰ কোচ-ৰাজবংশীৰ জনজাতিকৰণৰ দাবীটোৰ প্ৰতি চৰকাৰ-ৰাইজ সকলোৱে সময়োচিত সদিচ্ছা প্ৰকাশ কৰিলেহেঁতেন তেতিয়া হয়তো কামতাপুৰ ৰাজ্যৰ দাবীটো এতিয়াৰ পৰ্যায় নাপালেহেঁতেন। তদুপৰি বড়োসকলক সন্তুষ্ট কৰিবলৈ যাওঁতে, কোচ-ৰাজবংশী অধ্যুষিত এলেকাসমূহ বিটিচিত একপক্ষীয়ভাবে সোমাই দিয়া কাৰ্যয়ো কামতাপুৰৰ দাবীত ইন্ধন যোগাইছে। অসমৰ জনগোষ্ঠীয় গাঁথনিয়ে 'একচেটিয়া গৃহভূমি'ৰ (Exclusive Homeland) ধাৰণাটো সমৰ্থন নকৰিলেও, নীতি নিৰ্ধাৰকসকলে সমস্যাবোৰ তেনে এটি ধাৰণাৰে সমাধান কৰিব বিচৰাটো চিন্তনীয়।

কোচ-ৰাজবংশীৰ - কামতাপুৰৰ দাবীটোক সমমৰ্মিতাৰে চোৱা উচিত। তেওঁলোকৰ পুঞ্জীভূত ক্ষোভেই আজিৰ কামতাপুৰৰ বিক্ষোভৰ জন্ম দিছে। এই ক্ষোভ সহানুভূতি বিনে বুজিব পৰা নাযায়। এনেবোৰ নতুন জাতীয়তাবাদক সন্মান সহকাৰে স্বীকৃতি দি আজিৰ অসমীয়া বা বঙালী জাতীয়তাবাদৰ সৈতে সহাৱস্থান কৰাব পৰা যায় নেকি কথাবোৰ সেই পিনৰ পৰা ভাবি চালেহে সংঘাত উপশম হোৱাৰ পথ ওলাব। বহুতো অসমীয়াই যেনেদৰে কোচ-ৰাজবংশীসকলক অসমৰ অবিচ্ছেদ্য অংগ বুলি দাবী কৰে, ঠিক তেনেদৰে বহুতো বঙালীয়েও কোচ-ৰাজবংশীসকলক বংগৰ অবিচ্ছেদ্য অংগ বুলি দাবী কৰে। এনে এক পৰিস্থিতিত অসম আৰু বংগৰ কোচ-ৰাজবংশীসকলে যদি তেওঁলোকৰ অভিন্ন ইতিহাসৰ প্ৰেৰণাত কামতাপুৰৰ গঠনৰ জৰিয়তে ঐক্যবদ্ধ হ'ব বিচাৰিছে, তেনেহ'লে তাক বিচ্ছিন্নতাবাদৰ সলনি একতাৰ প্ৰয়াস বুলি আখ্যা দিয়াটোৱে উচিত হ'ব। ●

(টোকা ঃ লিখনীটোত 'কমতাপুৰ'ৰ ঠাইত 'ক'ত 'আ'কাৰে 'কামতাপুৰ' বুলি লিখা হৈছে। উত্তৰ বংগত কামতাপুৰ বুলিহে লিখা হয়। উত্তৰ বংগৰ সকলোবোৰ সংগঠন, বুদ্ধিজীৱীয়ে কামতা, কামতাপুৰ বুলিহে লিখে আৰু কয়। অসমৰ বিশিষ্ট কোচ-ৰাজবংশী ইতিহাসবিদ অম্বিকাচৰণ চৌধুৰীৰ মতেও, কামতাপুৰৰ 'ক'ত 'আ'কাৰহে লাগে। ঐতিহাসিক তথ্যপাতি আদি চালিজাৰি চালেও 'ক'ত 'আ'কাৰে কামতাপুৰটোহে শুদ্ধ বুলি পতিয়ন পাব পাৰি। ●

*লেখক নৰ্থইষ্ট পিপলছ ইনিষ্টিটিউট (নেপি)ৰ সমন্বয়ক আৰু এই নিবন্ধৰ বক্তব্য তেওঁৰ নিজা।*

OKDISCD